# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-09-2025
**Time :** 07 55 Hrs.

## *Assamese Morning Bulletin*

নাগৰিকত্ব সংশোধনী আইনৰ অধীনত নাগৰিকত্ব লাভৰ বাবে আবেদনৰ যোগ্যতাৰ সময়সীমা ২০২৪ চনৰ ৩১ ডিচেম্বৰলৈ বৃদ্ধি কৰাক লৈ কালি ৰাজ্যত বিভিন্ন দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰে। অসম গণ পৰিষদ দলে কালি এখন সংবাদমেল যোগে কয়, যে দলটোৱে এই বিষয়টোক লৈ আইনী যুঁজ চলাই যাব। কেন্দ্ৰীয় চৰকাৰে এই আইনৰ অধীনত আবেদনৰ সময়সীমাৰ ম্যাদ বৃদ্ধি কৰাক লৈ দলৰ প্ৰাক্তন সাংসদ কুমাৰ দীপক দাসে কয়, যে এই নিৰ্দেশে অসম চুক্তিক অৱমাননা কৰিব। অগপই অসম চুক্তিৰ ক্ষেত্ৰত কোনোদিনে আপোচ নকৰে বুলি তেওঁ উল্লেখ কৰে। এন ডি এৰ অংশীদাৰ হ'লেও এই নিৰ্দেশক দলে সমৰ্থন নকৰে বুলি তেওঁ উল্লেখ কৰে।

ডিব্ৰুগড় জিলা সদৰত কালি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে এই আইনৰ বিৰোধিতাৰে প্ৰতিবাদ সাব্যস্ত কৰে। অসমে বিদেশীৰ বোজা বহন নকৰে বুলি সংগঠনটোৱে প্ৰকাশ কৰে। গোলাঘাটতো কালি সংগঠনটোৰ জিলা সমিতিয়ে জোৰ সমদল উলিয়াই প্ৰতিবাদ সাব্যস্ত কৰে। একেদৰে ধেমাজি জিলাতো কালি সংগঠনটোৱে প্ৰতিবাদ সাব্যস্ত কৰে। ৰাজ্যৰ আন কেইবাখনো জিলাতো এই আইনৰ বিৰোধিতাৰে প্ৰতিবাদ সাব্যস্ত কৰা হয়।

০০০০০০

লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ মাধৱদেৱ বিশ্ববিদ্যালয়ত কালি অনুষ্ঠিত ভাৰতীয় জ্ঞান পৰাম্পৰা বিষয়ক আলোচনা সত্ৰত দিগন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। অনুষ্ঠানত মুখ্য আলোচকৰ হিচাপে অংশগ্ৰহণ কৰা গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়, আই আই টি গুৱাহাটীৰ প্ৰফেচৰ অব প্ৰেক্টিছ্ দিগন্ত বিশ্ব শৰ্মাই কয়, যে সংস্কৃত ভাষা হৈছে ভাৰতীয় জ্ঞান পৰম্পৰাৰ বিকাশৰ মূল আধাৰ। সংস্কৃত ভাষাক বাদ দি কোনো ভাষা সম্পূৰ্ণ হ'ব নোৱাৰে আৰু সেইবাবেই সংস্কৃত শিক্ষাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক অৰুপজ্যোতি চৌধুৰীয়ে উদ্বোধন কৰা এই আলোচনা সত্ৰত আলোচক দিগন্ত বিশ্ব শৰ্মাই মহৰ্ষি অৰবিন্দ সংস্কৃত বিষয়ক বিশ্লেষণ দাঙি ধৰে। তেওঁ কয়, যে সংস্কৃত হৈছে থুপখাই থকা জ্ঞানৰ ভাণ্ডাৰ স্বৰূপ। এই জ্ঞান প্ৰণালীৰ মূল ভিত্তি হৈছে যোগ। আসন, প্ৰাণায়ামো চিকিৎসা শাস্ত্ৰত আয়ুৰ্বেদ হিচাপে গণ্য কৰা হয়। নিজৰ শক্তি সামৰ্থৰ বিকাশ কৰিবলৈ হ'লে সংস্কৃতৰ অধ্যয়ন অতি প্ৰয়োজন বুলিও শ্ৰী শৰ্মাই মন্তব্য কৰে। এই অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড০ ক্ষীৰপদ দত্ত, প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ স্মৃতি কুমাৰ সিনহা, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক ড০ লিম্পন বৰা আদি উপস্থিত থাকে।

০০০০০০

শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধভাৱে দুৰ্গা পূজা আয়োজনৰ আহ্বান জনাই শিলচৰত কালি কাছাৰ জিলা প্ৰশাসনৰ এখন বৈঠক অনুষ্ঠিত হয়। পূজা সমিতিসমূহৰ সৈতে হোৱা প্ৰস্তুতিমূলক বৈঠকত জিলাখনৰ আয়ুক্ত মৃদুল যাদৱে নিৰাপত্তা যান-বাহন চলাচল আৰু পৰিবেশ অনুকুল পূজা আয়োজনত গুৰুত্ব আৰোপ কৰে। পথত মণ্ডপ নিৰ্মাণ, মণ্ডপত পৃথক প্ৰৱেশ আৰু প্ৰস্থান পথৰ ব্যৱস্থা, প্ৰাথমিক চিকিৎসা আৰু অগ্নিনিৰ্বাপক বাহিনীৰ ব্যৱস্থা কৰাৰ নিৰ্দেশ দিয়া হৈছে। বিসৰ্জনৰ দিনটোত ড্ৰাই ডে' ঘোষণা কৰা হ'ব বুলিও আয়ুক্তই জনাইছে। বৈঠকত আৰক্ষী অধীক্ষক নোমাল মহাত্তাই নিৰাপত্তা ব্যৱস্থাৰ ৰূপৰেখা দাঙি ধৰি পূজা সমিতিসমূহক চি চি টিভি, স্বেচ্ছাসেৱক নিয়োগ, চান্দা সংগ্ৰহত সংযম আদি ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০

আদিবাসী ঐক্যমঞ্চই অসমৰ আদিবাসীসকলক অনুসূচীত জনজাতিৰ মৰ্যদা প্ৰদান কৰাৰ বাবে এটা বিধিগত সংস্থা গঠন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাইছে। সংস্থাটোৱে এই সন্দৰ্ভত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামৰ কাৰ্যালয়লৈ স্মাৰকপত্ৰ প্ৰদান কৰিছে। ৰাজ্যত যুগ যুগ ধৰি বাস কৰি থকা আদিবাসীসকলক ভূমি পট্টা আৰু সুৰক্ষা প্ৰদান কৰিবলৈও সংস্থাটোৱে দাবী জনাইছে।

০০০০০০

শিৱসাগৰ আৰক্ষীয়ে কালি ষ্টেচন চাৰিআলিৰ এখন হোটেলত অভিযান চলাই জালনোট প্ৰস্তুতকৰণত জড়িত তিনিজন লোকক আটক কৰে। লোক কেইজন যোৰহাট চেলেংহাটৰ বলীন নেওগ, ন-কছাৰীৰ ৰাজ হুছেইন আৰু কাকজানৰ ছাদিক ৰহমান বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আটক কৰা লোককেইজনৰ পৰা জালনোট প্ৰস্তুত কৰা কাগজ আৰু অন্যান্য সামগ্ৰী জব্দ কৰা হৈছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে চক্ৰটোৱে ৫ লাখ টকাৰ বিনিময়ত ১০ লাখ টকা দিয়াৰ প্ৰলোভনেৰে দীৰ্ঘদিন ধৰি বহুলোকক প্ৰৱঞ্চনা কৰি আহিছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া থানাৰ নাগৰিক সমিতিৰ উদ্যোগত, গাঁওৰক্ষী বাহিনী আৰু অঞ্চলটোৰ ৰাইজৰ সহযোগত চাচনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি মাদক দ্ৰব্যৰ বিৰুদ্ধে সজাগতা সভা আৰু প্ৰতিবাদী সমদল উলিওৱা হয়। নাহৰকটীয়া থানা পৰ্যায়ত নাগৰিক সমিতিৰ সভাপতি গকুল বৰা সভাপতিত্বত অনুষ্ঠিত এই সভাত নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাকে ধৰি অনুষ্ঠানত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এখন তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়।

০০০০০০

**সমাপ্ত**